**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-JUNE-2026
**Time :** 11.00 AM

**ASSAMESE 11 AM BULLETIN**

——————————————

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাত স্থান লাভ কৰা ১২গৰাকী মন্ত্ৰীৰ শপত গ্ৰহণৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আজি দিনৰ ১২ বাজি ৪৫ মিনিটত হ'বলগীয়া এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই নতুন মন্ত্ৰীসকলক শপতবাক্য পাঠ কৰোৱাব।

আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে, মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি সম্প্ৰসাৰিত মন্ত্ৰীসভাত স্থান লাভ কৰা এন ডি এৰ ১২গৰাকী বিধায়কৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ইয়াৰে ১১ গৰাকী বিজেপিৰ আৰু এগৰাকী অসম গণ পৰিষদৰ। সম্প্ৰসাৰিত মন্ত্ৰীসভাত গোলকগঞ্জৰ অশ্বিনী ৰয় সৰকাৰ, ঢেকিয়াজুলিৰ অশোক সিংহল, টিংখাঙৰ বিমল বৰা, তামুলপুৰৰ বিশ্বজিৎ দৈমাৰী, নলবাৰীৰ জয়ন্ত মল্ল বৰুৱা, লক্ষীপুৰৰ কৌশিক ৰায়, কলিয়াবৰৰ কেশৱ মহন্ত, পাথাৰকান্দিৰ কৃষ্ণেন্দু পাল, মঙলদৈৰ নীলিমা দেৱী, জাগীৰোডৰ পীযুষ হাজৰিকা, ধেমাজিৰ ডাঃ ৰণোজ পেগু আৰু ডিমৌৰ বিধায়ক সুশান্ত বৰগোঁহাইয়ে স্থান লাভ কৰিছে।

০০০০০০

আজি বিশ্ব পৰিৱেশ দিৱস। পৃথিৱী আৰু প্ৰকৃতিক সুৰক্ষাৰ বাবে ইতিবাচক পৰিৱেশ সম্পৰ্কীয় কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ বাবে বিশ্বজুৰি সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস পালন কৰা হয়। ১৯৭৩ চনৰ পৰা ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচীৰ অংশ হিচাপে প্ৰতিবছৰে ৫ জুনত এই দিৱস পালন কৰি অহা হৈছে। এইবাৰ দিৱসৰ বিষয়বস্তু হৈছে – 'প্ৰকৃতিৰ পৰা অনুপ্ৰেৰণা লাভ। আমাৰ জলবায়ু আৰু আমাৰ ভৱিষ্যতৰ বাবে'।

বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যত এক কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আত্মসহায়ক গোটৰ ৩৫ লাখতকৈ অধিক মহিলাই এই অভিযানত অংশ ল'ব। ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ বনানিকৰণ, স্বচ্ছ শক্তিৰ প্ৰসাৰ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে পৰিৱেশৰ সুৰক্ষা আৰু বহনক্ষম উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ বাবে এই পদক্ষেপ লৈছে।

সমগ্ৰ শিক্ষা অসমেও বিশ্ব পৰিবেশ দিৱসৰ সৈতে সংগতি ৰাখি কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ জিলাসমূহৰ জিলা মিছন সমন্বয়ক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰিছে। এই অনুসৰি আজিৰে পৰা ৩০ জুনলৈ ইকো ক্লাব্ছ ফৰ মিছন লাইফৰ পৃষ্ঠপোষকতাত সেউজ গ্ৰীষ্ম শিবিৰৰ আয়োজন কৰা হৈছে। তদুপৰি প্ৰতিখন বিদ্যালয়ত 'মাতৃৰ নামত এজোপা গছ' শীৰ্ষক কাৰ্যসূচীৰ তৃতীয় সংস্কৰণ ৰূপায়ণ কৰা হ'ব। শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকৰ জৰিয়তে এইবাৰ ২৮ লাখ ৩৬ হাজাৰ ২৩২ টা গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে।

০০০০০০

গুৱাহাটী মহানগৰীৰ জালুকবাৰীৰ জয়মতী নগৰত যোৱা নিশা সংঘটিত এটা ভয়ংকৰ অগ্নিকাণ্ডত পিতৃ-মাতৃসহ দুটি সন্তানৰ শোকাবহভাৱে মৃত্যু হয়। মৃত্যু হোৱা লোককেইজন গোৱালপাৰাৰ লক্ষীপুৰৰ বুলি জানিব পৰা গৈছে। শুই থকা অৱস্থাত জুইৰ লেলিহান শিখাই আগুৰি ধৰাৰ ফলত চাৰিওজনে জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যুক সাৱটি লয়। এই অগ্নিকাণ্ডত কেইবাটাও বাসগৃহ জুইত জাহ যায়। পিছত আৰক্ষী, অগ্নিনির্বাপক বাহিনী আৰু এছ্ ডি আৰ এফৰ লোকে জুই নির্বাপন কৰিবলৈ সমর্থ হয়।

০০০০০০

ধেমাজি জিলাৰ জোনাইৰ লুহিজান গাঁৱত আজি পুৱতি নিশা বিদ্যুৎস্পৃষ্ট হৈ এটা বনৰীয়া হাতী মৃত্যুমুখত পৰে। বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা হাতীটোৱে গাঁওখনৰ এটা পৰিয়ালৰ ভঁৰালৰ কাষত বিদ্যুস্পৃষ্ট হৈ মৃত্যুক সাৱটি লয় বুলি আকাশবাণী ধেমাজিৰ সংবাদদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে পৰা সংৰক্ষিত বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত গাঁওখনলৈ অহা বনৰীয়া হাতীৰ জাকে বাৰীৰ শস্য খাই তহিলং কৰাৰ লগতে ঘৰ-দুৱাৰ ভাঙি লণ্ডভণ্ড কৰা বুলি স্থানীয় ৰাইজে বন বিভাগক দীর্ঘদিন ধৰি অভিযোগ দাখিল কৰি অহাৰ পাছতো বিভাগটোৱে কোনো ব্যৱস্থা নোলোৱা বুলি অভিযোগ উত্থাপিত হৈ আহিছে। এনে প্রেক্ষাপটত বন্যহস্তীৰ পৰা ৰক্ষা পাবলৈ গঞাই ভঁৰাল আৰু ঘৰৰ আশেপাশে বিদ্যুতৰ পোহৰৰ ব্যৱস্থা কৰি ল'বলগীয়া হৈছে। এনে ধৰণৰ বিদ্যুতৰ তাঁৰৰ সংস্পর্শলৈ আহি প্রায় ৫০ বছৰ বয়সীয়া দঁতাল হাতীটোৱে কৰুণভাৱে মৃত্যুক সাৱটি লয় বুলি স্থানীয় ৰাইজে সন্দেহ প্রকাশ কৰিছে। ইতিমধ্যে ঘটনাস্থলীত আৰক্ষী আৰু বন বিভাগৰ লোক উপস্থিত হৈ ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে।

০০০০০০

গোলাঘাট জিলাৰ উৰিয়ামঘাটত উচ্ছেদ অভিযানৰ পাছত মুকলি হোৱা দখলিকৃত অঞ্চলত বনানিকৰণ, পর্যটন আৰু নিবনুৱা সংস্থাপনৰ বাবে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ নেতৃত্বত বিশেষ ব্যৱস্থা লোৱা হৈছে। এই অনুসৰি ৰেংমা বনাঞ্চলত প্রায় ৫ হাজাৰ নাহৰপুলি ৰোপণ কৰি জুবিন গার্গ নাহৰ উদ্যান গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। প্রায় ১০০ বিঘা মাটিত গঢ়ি উঠিবলগীয়া এই উদ্যানে অঞ্চলটোৰ প্রাকৃতিক সৌন্দর্য বৃদ্ধিৰ উপৰি পর্যটন আৰু সংস্থাপনৰ নতুন দিশ মুকলি কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

গুৱাহাটীৰ অর্জুন ভোগেশ্বৰ বৰুৱা ক্রীড়া প্রাংগনত অহা ৭ জুনৰ পুৱা ৬ বজাৰ পৰা ছানডেজ অন চাইকেল কার্যসূচীৰ আয়োজন কৰা হৈছে। বিশ্ব বাইচাইকেল দিৱস, ২০২৬-ৰ ৭৭ সংখ্যক সংস্কৰণৰ সৈতে সংগতি ৰাখি এই কার্যসূচীৰ আয়োজন কৰা হৈছে। জনসাধাৰণক এটা সুস্থ আৰু সক্রিয় জীৱনৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ ফিট ইণ্ডিয়া অভিযানৰ অধীনৰ নিয়মীয়াকৈ ছানডেজ অন চাইকেল কার্যসূচী অনুষ্ঠিত হৈ আহিছে। কার্যসূচীৰ অংশ হিচাপে চাইকেল সমদল, জুম্বা আৰু যোগ অনুশীলন আদি অনুষ্ঠিত হ'ব।

০০০০০০

**সমাপ্ত**